32T ACOU

# 2022

# ACCOUNTANCY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | | |
|---|---|---|
| *Q. No. 1 carries 1 mark each* | | |
| | *1 (a)* | 1×4 = 4 |
| | *1 (b)* | 1×2 = 2 |
| | *1 (c)* | 1×2 = 2 |
| *Q. Nos. 2–6 carry 2 marks each* | | 2×5 = 10 |
| *Q. Nos. 7–11 carry 3 marks each* | | 3×5 = 15 |
| *Q. Nos. 12–18 carry 5 marks each* | | 5×7 = 35 |
| *Q. Nos. 19–22 carry 8 marks each* | | 8×4 = 32 |
| | | Total = 100 |

*Contd.*

1. (a) Fill in the blanks with appropriate word/words : ***(any four)***

উপযুক্ত শব্দৰে খালীঠাই পূৰ কৰা ঃ *(যিকোনো চাৰিটা)*

(i) Income and Expenditure Account is prepared on _______ basis. 1

আয়-ব্যয় হিচাপ _______ ভিত্তিত প্ৰস্তুত কৰা হয়।

(ii) Liability of a partner is _______. 1

এজন অংশীদাৰৰ দেনাৰ পৰিমাণ _______ ।

(iii) Annual Report is issued by a company to its _______. 1

এটা কোম্পানীয়ে বাৰ্ষিক প্ৰতিবেদন _______ ক বিলি কৰে।

(iv) Liquid ratio is the relationship between _______ and current liabilities. 1

তৰল অনুপাতে _______ আৰু চলিত দেনাৰ সম্পৰ্কক সূচায়।

(v) Equity shareholders are _______ of a company. 1

সমাংশপত্ৰ ধাৰক সকল এটা কোম্পানীৰ _______ হয়।

(b) Choose the correct alternative :

শুদ্ধ উত্তৰটো বাছনি কৰা ঃ

(i) When a new partner is admitted – 1

যেতিয়া এজন নতুন অংশীদাৰৰ ভৰ্তি কৰা হয় —

(a) Consent of all the partners is required.

সকলো অংশীদাৰৰ সন্মতিৰ প্ৰয়োজন হয়।

(b) Consent of majority of the partners is required.

গৰিষ্ঠসংখ্যক অংশীদাৰৰ সন্মতিৰ প্ৰয়োজন হয়।

(c) Consent of any one partner is required.

যিকোনো এজন অংশীদাৰৰ সন্মতিৰ প্ৰয়োজন হয়।

(ii) Balance of shares forfeited account after re-issue is transferred to – 1

পুনৰ বিলিৰ পিছত বাজেয়াপ্ত অংশপত্ৰ হিচাপৰ উদ্বৃত্ত স্থানান্তৰ কৰা হয়—

(a) Reserve Fund

সঞ্চিত পুঁজিলৈ

(b) Profit and Loss Account

লাভ-লোকচান হিচাপলৈ

(c) Capital Reserve

মূলধনী পুঁজিলৈ

(c) State whether the following statements are "True" *or* "False" : *(any two)*

তলৰ উক্তিসমূহ "শুদ্ধ" *নে* "অশুদ্ধ" লিখা ঃ *(যিকোনো দুটা)*

(i) Outstanding subscription is an asset. 1

পাবলগীয়া বৰঙনি হৈছে এটা সম্পত্তি।

(ii) A Preference Shareholder gets interest at a fixed rate. 1

এজন অগ্ৰাধিকাৰযুক্ত অংশীদাৰে এটা নিৰ্দিষ্ট হাৰে সুত পায়।

(iii) Company's shares are generally transferable. 1

কোম্পানীৰ অংশপত্ৰসমূহ সাধাৰণতে হস্তান্তৰযোগ্য।

(iv) Life membership fee is a capital receipt. 1

আজীৱন সভ্য মাচুল হৈছে এক মূলধনী আয়।

2. Mention *two* features of a not-for-profit organisation. 2

লাভ নোলোৱা প্ৰতিষ্ঠানৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

3. What is Profit and Loss Appropriation Account ? 2

লাভ-লোকচান উপযোজন হিচাপ কি ?

4. What is the meaning of Cash Flow from Financing Activities ? 2

'বিত্তীয় কাৰ্য্যকলাপৰ পৰা হোৱা নগদ ধনৰ প্ৰৱাহ'ৰ অৰ্থ লিখা।

5. Mention *any two* features of a debenture. 2

ঋণপত্ৰৰ *যিকোনো দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

6. Mention *any two* rights of a partner. 2

অংশীদাৰ এজনৰ *যিকোনো দুটা* অধিকাৰ উল্লেখ কৰা।

7. A and B are partners sharing profits and losses in the ratio 3 : 2. C is admitted into the partnership. A surrendered $\frac{1}{3}$rd of his share and B surrendered $\frac{1}{4}$th of his share in favour of C. Determine the new profit sharing ratio. 3

A আৰু B দুজন অংশীদাৰ আৰু তেওঁলোকে 3 : 2 অনুপাতত লাভ-লোকচান বণ্টন কৰে। C-ক নতুন অংশীদাৰ হিচাপে লোৱা হ'ল। A-য়ে তেওঁৰ অংশৰ $\frac{1}{3}$ আৰু B-য়ে তেওঁৰ অংশৰ $\frac{1}{4}$ অংশ C লৈ প্ৰত্যৰ্পণ কৰিলে। নতুন লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

*OR / নাইবা*

Write *three* distinctions between Fixed Capital Account and Fluctuating Capital Account.

স্থিৰ মূলধন হিচাপ আৰু অস্থিৰ মূলধন হিচাপৰ মাজত থকা *তিনিটা* পাৰ্থক্য লিখা।

8. Explain *three* uses of financial statement. 3

বিত্তীয় প্ৰতিবেদনৰ *তিনিটা* ব্যৱহাৰ ব্যাখ্যা কৰা।

9. Mention *any three* objectives of preparing Comparative Statement. 3

তুলনামূলক প্ৰতিবেদন প্ৰস্তুতকৰণৰ *যিকোনো তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

*OR / নাইবা*

A company's stock is Rs. 2,00,000. Total liquid assets are Rs. 8,00,000 and quick ratio is 2 : 1. Calculate current ratio.

এটা কোম্পানীৰ মজুতৰ পৰিমাণ ₹ 2,00,000। মুঠ তৰল সম্পত্তিৰ পৰিমাণ ₹ 8,00,000 আৰু তৰল অনুপাত হৈছে 2 : 1। চলিত অনুপাত নিৰ্ণয় কৰা।

10. Explain the following terms : 3

তলৰ পদসমূহ ব্যাখ্যা কৰা ঃ

(*i*) Capital Fund

মূলধনী পুঁজি

(*ii*) Life Membership Fee

আজীৱন সভ্য মাচুল

(*iii*) Entrance Fee

ভৰ্তি মাচুল

*OR / নাইবা*

Write *three* features of Fund Based Accounting.

পুঁজিভিত্তিক হিচাপকৰণৰ *তিনিটা* বৈশিষ্ট্য লিখা।

*OR / নাইবা*

Calculate the amount of stationery consumed to be shown in the Income and Expenditure A/c for the year ended 31st December, 2020—

31 ডিচেম্বৰ, 2020 তাৰিখে অন্তপৰা বৰ্ষৰ আয়-ব্যয় হিচাপত দেখুৱাবলগীয়া মনোহাৰীৰ পৰিমাণ নিৰ্ণয় কৰা—

| | **01-01-2020** | **31-12-2020** |
|---|---|---|
| Creditors for stationery<br>মনোহাৰীৰ বাবে পাওনাদাৰ | 4,000 | 6,200 |
| Stock of stationery<br>মনোহাৰীৰ মজুত | 5,400 | 5,000 |

During the year 2020 payment made for stationery was ₹40,000.

2020 বৰ্ষৰ ভিতৰত মনোহাৰীৰ বাবে 40,000 টকা পৰিশোধ কৰা হৈছিল।

11. Write *three* differences between Realisation Account and Revaluation Account. 3

মূল্যাদায়কৰণ হিচাপ আৰু পুনৰমূল্যায়ন হিচাপৰ মাজত থকা *তিনিটা* পাৰ্থক্য লিখা।

*OR / নাইবা*

Write *any three* uses of Cash Flow Statement.

নগদ প্ৰৱাহৰ প্ৰতিবেদনৰ *যিকোনো তিনিটা* ব্যৱহাৰ লিখা।

12. Prepare Income and Expenditure Account from the following Receipts and Payments Account and other details of Surya Club for the year ended 31st December, 2019 : 5

31 ডিচেম্বৰ, 2019 তাৰিখে অন্তপৰা বৰ্ষৰ বাবে সূৰ্য্য ক্লাবৰ তলত দিয়া জমা-খৰচ হিচাপ আৰু অন্যান্য বিৰৰণৰ পৰা বৰ্ষটোৰ বাবে আয়-ব্যয় হিচাপ প্ৰস্তুক কৰা ঃ

**Receipts and Payments Account**

(জমা-খৰচ হিচাপ)

Dr. Cr.

| *Receipt (জমা)* | (₹) | *Payments (খৰচ)* | (₹) |
|---|---|---|---|
| To Balance b/d : (আৰম্ভনি উদ্বৃত্ত) | | By Salaries (দৰমহা) | 12,000 |
| Cash-in-hand (নগদ জমা) | 10,000 | By Honorarium (মাননি) | 3,000 |
| To Subscriptions (বৰঙনি) | | By Travelling Expenses (ভ্ৰমণ ব্যয়) | 2,000 |
| 2018 — 900 | | By Telephone Charges (টেলিফোনৰ খৰচ) | 5,000 |
| 2019 — 19,000 | | | |
| 2020 — 1,000 | 20,900 | | |
| To Sale of newspaper (বাতৰিকাকতৰ বিক্ৰী) | 100 | By Investment (বিনিয়োগ) | 10,000 |
| To Life Membership Fee (আজীৱন সভ্য মাচুল) | 5,000 | By Construction of Building (ভৱন নিৰ্মাণ) | 7,000 |
| To Donation (দান) | 6,000 | By Rent (ভাড়া) | 2,000 |
| To Donation for Building (ভৱনৰ বাবদ দান) | 8,000 | By Postage (ডাক) | 1,000 |
| | | By Balance c/d : (সামৰণি উদ্বৃত্ত) | |
| To Interest (সুদ) | 200 | Cash-in-hand (নগদ জমা) | 11,200 |
| To Maintenance Grant (পৰিচালনা অনুদান) | 2,000 | | |
| To Sale of Furniture (আচবাব বিক্ৰী) | 1,000 | | |
| | 53,200 | | 53,200 |

*Other details (অন্যান্য বিৱৰণ)* :

(i) Outstanding Salaries – ₹ 1,000
অনাদায় দৰমহা — 1,000 টকা

(ii) Subscription outstanding – ₹ 2,000
অনাদায় বৰঙণি — 2,000 টকা

(iii) Subscription for 2019 received in 2018 – ₹ 200
2019 বৰ্ষৰ বৰঙণি 2018 ত পোৱা হৈছিল — 200 টকা

*OR / নাইবা*

Write *five* distinctions between Receipts and Payments Account and Income and Expenditure Account. 5

জমা খৰচ হিচাপ আৰু আয়-ব্যয় হিচাপৰ মাজত থকা *পাঁচটা* পাৰ্থক্য লিখা।

13. Explain the method of calculating "Cash flows from Operating Activities" under direct method. 5

প্ৰত্যক্ষ পদ্ধতি অনুসৰি ব্যৱসায়িক কাৰ্য্যকলাপৰ পৰা নগদ প্ৰৱাহৰ নিৰ্ণয় কৰা পদ্ধতিটো বৰ্ণনা কৰা।

*OR / নাইবা*

Calculate cash from operating activities from the following information :

তলত দিয়া তথ্যৰ পৰা ব্যৱসায়িক কাৰ্য্যকলাপৰ পৰা নগদ প্ৰৱাহৰ পৰিমাণ নিৰ্ণয় কৰা ঃ

| | 2019 (₹) | 2020 (₹) |
|---|---|---|
| Profit and Loss A/c. (লাভ-লোকচান হিচাপ) | 60,000 | 65,000 |
| Debtors (দেনাদাৰ) | 87,000 | 50,000 |
| Bills Receivable (প্ৰাপ্য বিল) | 62,000 | 1,03,000 |
| General Reserve (সাধাৰণ পুঁজি) | 2,02,000 | 2,37,000 |
| Salary Outstanding (অনাদায় দৰমহা) | 30,000 | 12,000 |
| Wages Prepaid (অগ্ৰীম প্ৰদত্ত মজুৰি) | 5,000 | 7,000 |
| Goodwill (সুনাম) | 80,000 | 70,000 |
| Cash and Bank Balance (নগদ আৰু বেংকৰ উদ্বৃত্ত) | 40,000 | 30,000 |

14. What is Ratio Analysis ? Mention *any three* limitations of ratio analysis. 2+3=5

অনুপাত বিশ্লেষণ কি ? অনুপাত বিশ্লেষণৰ *যিকোনো তিনিটা* সীমাবদ্ধতা উল্লেখ কৰা।

*OR / নাইবা*

Briefly explain the meaning and significance of *any two* of the following ratios — 2½×2=5

তলত দিয়া অনুপাতসমূহৰ *যিকোনো দুটাৰ* অৰ্থ আৰু গুৰুত্ব চমুকৈ বৰ্ণনা কৰা —

*(i)* Debt-Equity Ratio

ঋণ সমাংশ অনুপাত

*(ii)* Gross Profit Ratio

মুঠ লাভৰ অনুপাত

*(iii)* Quick Ratio

ত্বৰিত অনুপাত

*(iv)* Stock Turnover Ratio

মজুত পণ্য আবৰ্তন অনুপাত

*OR / নাইবা*

Cost of Goods Sold — ₹ 3,00,000

বিক্ৰীকৰা সামগ্ৰীৰ ক্ৰয়মূল্য

Stock Turnover Ratio — 6 times

মজুত পণ্যৰ আবৰ্তন অনুপাত (6 বাৰ)

Find out the value of Opening Stock, if Opening Stock is ₹10,000 less than the Closing Stock. 5

যদি আৰম্ভণি মজুত পণ্য সামৰণি মজুত পণ্যতকৈ 10,000 টকা কম হয়, তেন্তে আৰম্ভণি মজুত পণ্যৰ মূল্য নিৰ্ণয় কৰা।

15. From the following Income Statement, prepare Common Size Income Statement and give your comments : 5

তলৰ আয় প্ৰতিবেদনখনৰ পৰা, উমৈহতীয়া আকাৰৰ আয়ৰ প্ৰতিবেদন প্ৰস্তুত কৰা আৰু তোমাৰ মত আগবঢ়োৱা ঃ

| Particulars (বিৱৰণ) | 2018 (₹) | 2019 (₹) | Particulars (বিৱৰণ) | 2018 (₹) | 2019 (₹) |
|---|---|---|---|---|---|
| To Cost of Goods Sold (বিক্ৰীকৰা সামগ্ৰীৰ ক্ৰয়মূল্য) | 95,000 | 1,05,000 | By Net Sales (প্ৰকৃত বিক্ৰী) | 1,20,000 | 1,45,000 |
| To Gross Profit c/d (মুঠ লাভ ) | 25,000 | 40,000 | | | |
| | 1,20,000 | 1,45,000 | | 1,20,000 | 1,45,000 |
| To Office Expenses (কাৰ্য্যালয়ৰ খৰচ) | 2,000 | 8,000 | By Gross Profit b/d (মুঠ লাভ) | 25,000 | 40,000 |
| To Distribution Expenses (বিতৰণৰ খৰচ) | 3,000 | 5,000 | | | |
| To Net Profit c/d (প্ৰকৃত লাভ) | 20,000 | 27,000 | | | |
| | 25,000 | 40,000 | | 25,000 | 40,000 |

*OR / নাইবা*

Give the new format of the Balance Sheet of a company (main headings only) as per the requirements of the revised Schedule-VI of the Companies Act.

কোম্পানী আইনৰ পৰিশোধিত তালিকা -VI অনুসৰি এটা কোম্পানীৰ উদ্বৃত্তপত্ৰৰ নতুন আকাৰটো (কেৱল মুখ্য শিতানসমূহ) প্ৰস্তুত কৰা।

OR/ নাইবা

Give *five* points of distinctions between under-subscription and over-subscription.

কম ক্ৰয়সন্মতি আৰু অধিক ক্ৰয়সন্মতিৰ মাজত থকা *পাঁচটা* পাৰ্থক্য আগবঢ়োৱা।

16. A, B and C were in partnership sharing profits and losses in the ratio of 3:2:1. On 1st January, 2020, B retired from the firm. On that date their Balance Sheet was as follows : 2+3=5

A, B আৰু C য়ে 3:2:1 অনুপাতত লাভ-লোকচান বন্টন কৰি অংশীদাৰী ব্যৱসায় কৰি আছিল। 1 জানুৱাৰী, 2020 তাৰিখে B য়ে প্ৰতিষ্ঠানৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেই তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|---|
| Creditors (পাওনাদাৰ) | | 27,180 | Cash (নগদ ধন) | 9,400 |
| Capitals : (মূলধন) | | | Debtors (দেনাদাৰ) | 16,000 |
| | A : 30,000 | | Stock (মজুত পণ্য) | 23,380 |
| | B : 20,000 | | Building (ভৱন) | 46,000 |
| | C : 20,000 | 70,000 | Profit and Loss A/c (লাভ-লোকচান হিচাপ) | 2,400 |
| | | 97,180 | | 97,180 |

The terms of the retirement were :

অৱসৰৰ চৰ্তসমূহ আছিল ঃ

*(i)* Building is to be appreciated by ₹ 14,000

ভৱনৰ মূল্য 14,000 টকাৰে বৃদ্ধি কৰা হ'ব।

*(ii)* Provision for doubtful debts is to be made at 5% on the debtors.

দেনাদাৰৰ ওপৰত 5% সন্দেহজনক ঋণ পুঁজি গঠন কৰা হ'ব।

*(iii)* The goodwill of the firm is to be valued at ₹ 36,000.

প্ৰতিষ্ঠানৰ সুনামৰ মূল্যায়ন 36,000 টকাত কৰা হ'ব।

(*iv*) No cash is to be paid to B immediately and balance of his capital account is to be transferred to his loan account.

B-ক নগদ ধন তাৎক্ষণিকভাৱে পৰিশোধ কৰিব নালাগে আৰু তেওঁৰ মূলধন হিচাপৰ উদ্বৃত্ত তেওঁৰ ঋণ হিচাপলৈ স্থানান্তৰ কৰা হ'ব।

Prepare Revaluation Account and Partners' Capital Account.

পুনৰমূল্যায়ন হিচাপ আৰু অংশীদাৰৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

Write the uses of securities premium amount.

প্ৰতিভূতি অধিহাৰৰ ধনৰ ব্যৱহাৰসমূহ লিখা।

17. P, Q and R were in partnership sharing profits and losses in the ratio of 4 : 3 : 3. On 31st March, 2020 their Balance Sheet was as follows : 5

P, Q আৰু R 4 : 3 : 3 অনুপাতত লাভ-লোকচান বিতৰণকাৰী এখন প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 31 মাৰ্চ, 2020 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 87,000 | Fixed Assets (স্থায়ী সম্পত্তি) | 2,90,000 |
| Reserve (সঞ্চিত পুঁজি) | 33,000 | Stock and Debtors (মজুত পণ্য আৰু দেনাদাৰ) | 85,000 |
| Capital Accounts : (মূলধন হিচাপ) | | Cash (নগদ) | 15,000 |
| P : 1,05,000 | | | |
| Q : 85,000 | | | |
| R : 80,000 | 2,70,000 | | |
| | **3,90,000** | | **3,90,000** |

'Q' died on 30.6.2020. Under the partnership agreement the executors of a deceased partner were entitled to :

30.6.2020 তাৰিখত 'Q'-ৰ মৃত্যু হয়। চুক্তিমতে মৃত অংশীদাৰৰ প্ৰতিনিধিসকলে পাব ঃ

(*a*) Amount standing to the credit of deceased partner's capital account.

মৃত অংশীদাৰৰ মূলধন হিচাপৰ ক্ৰেডিটত থকা প্ৰাপ্য ধন।

(b) Interest on capital @ 12% p.a.

বছৰি 12% হাৰে মূলধনৰ ওপৰত সুত।

(c) His share of goodwill. The goodwill of the firm on Q's death was valued at ₹ 2,70,000.

তেওঁৰ সুনামৰ অংশ। Q-ৰ মৃত্যুত প্ৰতিষ্ঠানখনৰ সুনামৰ মূল্যায়ন 2,70,000 টকাত কৰা হ'ল।

(d) Share of profit from the closing of the last financial year to the date of death on the basis of last year's profits.

বিগত বছৰৰ লাভৰ ভিত্তিত বিগত বছৰৰ সামৰণি তাৰিখৰ পৰা মৃত্যুৰ তাৰিখলৈকে লাভৰ অংশ।

The profit of the firm for the year ended 31.3.2020 was ₹2,40,000.

31.3.2020 তাৰিখত অন্তপৰা বৰ্ষৰ বাবে প্ৰতিষ্ঠানখনৰ লাভৰ পৰিমাণ আছিল 2,40,000 টকা।

Prepare Q's capital account on the date of his death.

Q-ৰ মৃত্যুৰ তাৰিখত তেওঁৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

Distinguish between Profit and Loss account and Profit and Loss Appropriation account. 5

লাভ-লোকচান হিচাপ আৰু লাভ-লোকচান উপযোজন হিচাপৰ মাজৰ পাৰ্থক্যবোৰ লিখা।

18. What is Realisation Account ? Write *three* cases where a partnership firm may be dissolved by a court. 2+3=5

মূল্যাদায়কৰণ হিচাপ কি ? এখন ন্যায়ালয়ৰ দ্বাৰা অংশীদাৰী ব্যৱসায়ৰ অৱসায়ন হ'ব পৰা *তিনিটা* অৱস্থাৰ উল্লেখ কৰা।

*OR* / *নাইবা*

Amal and Bimal are *two* partners in a firm. They share profits as 3:2. Following is their Balance Sheet as on 31st March, 2021 on which date the firm is dissolved :

অমল আৰু বিমল এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। তেওঁলোকে 3:2 অনুপাতত লাভ বন্টন কৰে। 31 মাৰ্চ, 2021 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়া ধৰণৰ, যি দিনাখন প্ৰতিষ্ঠানখনৰ অৱসায়ন হয় ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 20,000 | Fixed Assets (স্থায়ী সম্পত্তি) | 30,000 |
| Reserve (সঞ্চিত পুঁজি) | 5,000 | Stock (মজুত পণ্য) | 10,000 |
| Capitals : (মূলধন) | | Debtors (দেনাদাৰ) | 15,000 |
| Amal (অমল) : 20,000 | | Cash (নগদ) | 3,000 |
| Bimal (বিমল) : 15,000 | 35,000 | Profit & Loss A/c (লাভ-লোকচান হিচাপ) | 2,000 |
| | 60,000 | | 60,000 |

Fixed Assets are realised at ₹ 28,000. Stock at ₹ 8,000 and Debtors at ₹ 13,000. Expenses on realisation are ₹ 1,500. Creditors are paid at a discount of 10%.

স্থায়ী সম্পত্তিবোৰ বিক্ৰী কৰি 28,000 টকা পোৱা গ'ল। মজুত পণ্যৰ পৰা 8,000 টকা আৰু দেনাদাৰৰ পৰা 13,000 টকা পোৱা হ'ল। মূল্যাদায়কৰণৰ খৰচৰ পৰিমাণ 1,500 টকা। পাওনাদাৰসকলক 10% ৰেহাইত পৰিশোধ কৰা হ'ল।

Prepare Realisation Account, Partners' Capital Account and Cash Account.

2+2+1=5

মূল্যাদায়কৰণ হিচাপ, অংশীদাৰৰ মূলধন হিচাপ আৰু নগদ হিচাপ প্ৰস্তুত কৰা।

19. Pradeep and Pranab are partners in a firm. The Trial Balance of the firm as on 31st March, 2020 was as under : 8

প্ৰদীপ আৰু প্ৰণৱ এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 মাৰ্চ, 2020 তাৰিখত প্ৰতিষ্ঠানখনৰ উদ্বৃত্ত মিলনপত্ৰ তলৰ দৰে আছিল ঃ

**Trial Balance (উদ্বৃত্ত মিলন পত্ৰ)**

| Debit | | (₹) | Credit | | (₹) |
|---|---|---|---|---|---|
| Machinery (যন্ত্ৰপাতি) | | 54,000 | Capital : (মূলধন) Pradeep — (প্ৰদীপ) | 50,000 | |
| Goodwill (সুনাম) | | 10,000 | Pranab — (প্ৰণৱ) | 40,000 | 90,000 |
| Patent (পেটেন্ট) | | 20,000 | | | |
| Sundry Debtors (বিবিধ দেনাদাৰ) | | 21,000 | Sundry Creditors (বিবিধ পাওনাদাৰ) | | 5,000 |
| Cash in hand (নগদ জমা) | | 1,000 | | | |
| Closing Stock (সামৰণি মজুত পণ্য) | | 25,000 | Interest on Investment (বিনিয়োগৰ ওপৰত সুত) | | 400 |
| Investment (বিনিয়োগ) | | 10,000 | Sundry Receipts (বিবিধ প্ৰাপ্তি) | | 200 |
| Depreciation on Machinery (যন্ত্ৰপাতিৰ ওপৰত অৰক্ষয়) | | 6,000 | Bills Payable (প্ৰদেয় বিল) | | 2,000 |
| Rent (ভাড়া) | | 10,000 | Bank Overdraft (বেংক অভাৰড্ৰাফ্ট্) | | 10,000 |
| Carriage Outward (বিক্ৰয়জনিত পৰিবহন) | | 1,000 | | | |
| Taxes (কৰ) | | 500 | Outstanding Wages (প্ৰদেয় মজুৰি) | | 500 |
| Telephone charges (টেলিফোনৰ খৰচ) | | 3,600 | Trading Account : (ক্ৰয়-বিক্ৰয় হিচাপ) | | |
| Commission (কমিচন) | | 800 | Gross Profit (মুঠ লাভ) | | 71,000 |
| Drawings (আহৰণ) ঃ | | | Discount (বাট্টা) | | 900 |
| Pradeep (প্ৰদীপ) | 5,000 | | | | |
| Pranab (প্ৰণৱ) | 4,000 | 9,000 | | | |
| Salaries (দৰমহা) | | 8,000 | | | |
| Bank Charges (বেংকৰ খৰচ) | | 100 | | | |
| | | 1,80,000 | | | 1,80,000 |

Prepare Profit and Loss Account, Profit and Loss Appropriation Account and the Balance Sheet of the firm for the year ended 31st March, 2020, after considering the following information :

তলত দিয়া তথ্যসমূহ বিবেচনা কৰিলৈ 31 মাৰ্চ, 2020 তাৰিখত অন্তপৰা বৰ্ষৰ বাবে লাভ-লোকচান হিচাপ, লাভ-লোকচান উপযোজন হিচাপ আৰু উদ্বৃত্তপত্ৰখন প্ৰস্তুত কৰা ঃ

(i) Write off ₹ 1,000 as Bad Debt and provide a 5% Provision on Sundry Debtors for Doubtful Debts.

1,000 টকা অনুদ্ধাৰণীয় ঋণ হিচাপে ধৰা হ'ব আৰু বিবিধ দেনাদাৰৰ ওপৰত 5% সন্দেহজনক ঋণপুঁজি গঠন কৰিব লাগে।

(ii) Interest on Investment Accrued ₹ 600.

বিনিয়োগৰ ওপৰত পাবলগীয়া 600 টকা সুত।

(iii) Interest on Partners' capital is allowed @ 5% p.a.

অংশীদাৰৰ মূলধনৰ ওপৰত বছৰি 5% হাৰে সুত ধৰিব লাগে।

(iv) Create a General Reserve by taking ₹ 5,000 out of profit.

লাভৰ পৰা 5,000 টকা লৈ এক সঞ্চিত পুঁজি গঠন কৰিব লাগে।

20. (a) Write *two* differences between Authorised Capital and Issued Capital of a company. 2

এটা কোম্পানীৰ অনুমোদিত মূলধন আৰু বিলিকৃত মূলধনৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

(b) What is Minimum Subscription ? 2

ন্যূনতম ক্ৰয়সন্মতি মানে কি ?

(c) What is Reserve Capital ? 2

সঞ্চিত মূলধন কি ?

(d) What is Call-in-Arrear ? 2

বকেয়া তলবী মানে কি ?

*OR / নাইবা*

Arnab Company Ltd. issued 10,000 equity shares of ₹ 100 each at a premium of 10% payable as under : 8

₹ 30 on Application

₹ 60 on Allotment (including premium)

₹ 20 on call

Kamalesh holding 400 shares failed to pay the allotment and call money and Monalisha holding 700 shares failed to pay the call money.

Show the Entries in the Cash book and Journal of the company for the above transactions.

অৰ্ণৱ কোম্পানী লিমিটেডে প্ৰতিখন 100 টকা মূল্যৰ 10,000 খন অংশপত্ৰ 10% অধিহাৰত বিলি কৰে। ইয়াক তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগে ঃ

30 টকা আবেদনৰ লগত

60 টকা (অধিহাৰৰ সৈতে) আবন্টনৰ লগত

20 টকা তলবৰ লগত

400 খন অংশপত্ৰৰ ধাৰক কমলেশে আবন্টন আৰু তলবৰ ধন আদায় দিব নোৱাৰিলে আৰু 700 খন অংশপত্ৰৰ ধাৰক মনালিছাই তলবৰ ধন আদায় দিব নোৱাৰিলে।

উপৰোক্ত লেনদেনসমূহৰ বাবে কোম্পানীৰ বহীত নগদবহী প্ৰৱিষ্টি আৰু জাবেদা প্ৰবিষ্টি দিয়া।

21. Give Journal entries for issue and redemption of Debentures in respect of the following : 8

তলত দিয়া অৱস্থাসমূহৰ বাবে ঋণপত্ৰৰ বিলি আৰু পৰিশোধৰ জাবেদা প্ৰৱিষ্টি দিয়া ঃ

(a) Debentures issued at a discount and redeemable at premium.

ঋণপত্ৰৰ বাট্টাত বিলিকৰণ আৰু অধিহাৰত পৰিশোধ।

(b) Debentures issued at premium and redeemable at premium.

ঋণপত্ৰৰ অধিহাৰত বিলিকৰণ আৰু অধিহাৰত পৰিশোধ।

(c) Debentures issued at par and redeemable at par.

ঋণপত্ৰৰ সমমূল্যত বিলিকৰণ আৰু সমমূল্যত পৰিশোধ।

(d) Debentures issued at premium and redeemable at par.

ঋণপত্ৰৰ অধিহাৰত বিলিকৰণ আৰু সমমূল্যত পৰিশোধ।

*OR / নাইবা*

What are the differences between a shareholder and a debentureholder?

এজন অংশপত্ৰধাৰক আৰু এজন ঋণপত্ৰধাৰকৰ মাজৰ পাৰ্থক্যসমূহ কি কি ?

*OR / নাইবা*

Explain different methods of redemption of debentures.

ঋণপত্ৰ পৰিশোধৰ বিভিন্ন পদ্ধতিসমূহ বৰ্ণনা কৰা।

22. Ram and Mohan are partners sharing profits and losses equally. Their Balance Sheet on 1st April, 2021 was follows : 8

ৰাম আৰু মোহন সমানে লাভ আৰু লোকচান বন্টন কৰা অংশীদাৰ। 1 এপ্ৰিল, 2021 তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্ৰখন তলত দিয়া দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্ত পত্ৰ)**

| Liabilities (দেনা) | | (₹) | Assets (সম্পত্তি) | (₹) |
|---|---|---|---|---|
| Sundry Creditors (বিবিধ পাওনাদাৰ) | | 15,000 | Cash (নগদ) | 5,000 |
| Capital (মূলধন) : | | | Debtors (দেনাদাৰ) | 16,000 |
| Ram (ৰাম) : | 40,000 | | Stock (মজুত) | 12,000 |
| Mohan (মোহন) : | 30,000 | 70,000 | Machinery (যন্ত্ৰপাতি) | 22,000 |
| | | | Building (ভৱন) | 30,000 |
| | | 85,000 | | 85,000 |

They decided to admit Sanjoy into partnership for 1/3rd share on the following terms :

তেওঁলোকে 1/3 অংশৰ বাবে সঞ্জয়ক তলৰ চৰ্তসমূহৰ ভিত্তিত অংশীদাৰী ব্যৱসায়ত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত ললে ঃ

*(i)* Machinery and Buildings were revalued at ₹ 20,000 and ₹ 42,000 respectively.

পুনৰমূল্যায়ন কৰি যন্ত্ৰপাতি আৰু ভৱনৰ মূল্য ক্ৰমে 20,000 টকা আৰু 42,000 টকা ধাৰ্য্য কৰা হ'ল।

*(ii)* Creditors were reduced by ₹ 2,000.

পাওনাদাৰ সকলক 2,000 টকাৰে হ্ৰাস কৰা হ'ল।

*(iii)* Provision for doubtful debts on debtors is to be created at ₹ 1,000.

দেনাদাৰৰ ওপৰত 1,000 টকাৰ সন্দেহজনক ঋণপুঁজি গঠন কৰা হ'ব।

*(iv)* Sanjoy is to bring in ₹ 40,000 as his capital and ₹ 24,000 as premium for goodwill.

সঞ্জয়ে 40,000 টকা মূলধন আৰু 24,000 টকা সুনামৰ প্ৰিমিয়াম হিচাপে আনিব লাগিব।

Pass Journal entries for the above information and prepare Balance Sheet of the firm after the admission of Sanjoy.

উপৰোক্ত তথ্যসমূহৰ বাবে জাবেদা প্ৰৱিষ্টি দিয়া আৰু সঞ্জয়ৰ অন্তৰ্ভুক্তিৰ পাছত প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰখন প্ৰস্তুত কৰা।

*OR / নাইবা*

*(i)* Write *any three* limitations of partnership business. 3

অংশীদাৰী ব্যৱসায়ৰ *যিকোনো তিনিটা* সীমাবদ্ধতা লিখা।

(ii) Explain *five* factors affecting the goodwill of a firm. 5

প্ৰতিষ্ঠানৰ সুনামত প্ৰভাৱ পেলাব পৰা *পাঁচটা* কাৰক উল্লেখ কৰা।

***OR / নাইবা***

Distinguish between dissolution of Partnership and dissolution of Partnership firm. 8

অংশীদাৰীৰ অৱসায়ন আৰু অংশীদাৰী ব্যৱসায়ৰ অৱসায়নৰ মাজত পাৰ্থক্য লিখা।

——×——